স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

নিয়মীয়া বাৰ্তা

VOL-15 NO-196 SUNDAY 21 SEPTEMBER 2025 (ডিব্ৰুগড় সংস্কৰণ/DI

# জুবিন গাৰ্গৰ অকাল বিয়োগত কানৈ মহাবিদ্যালয়ত শোক

**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২০ ছেপ্টেম্বৰ ঃ** অসমীয়াৰ হিয়াৰ আমঠু, বহুমুখী প্ৰতিভাসম্পন্ন শিল্পী তথা সমাজকৰ্মী জুবিন গাৰ্গৰ ১৯ ছেপ্টেম্বৰত অকাল বিয়োগত ডিব্ৰুগড় হনুমান বক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ পৰিয়াল শোকত মৰ্মাহত হৈ পৰে। আজি মহাবিদ্যালয়খনৰ সমূহ ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰী মিলিত হৈ এখন শোকসভা অনুষ্ঠিত কৰে। অসমীয়া আধুনিক সংগীতৰ জগতখনত তেওঁ প্ৰকৃত অৰ্থতে এটা যুগ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল বুলি সভাত আলোচিত হয়। সভাত শিল্পীগৰাকীৰ ব্যক্তিত্বৰ আকৰ্ষণ, ৰচনাশৈলীৰ অতুলনীয়তা, কণ্ঠৰ মাধুৰ্য, গায়ন শৈলীৰ অনন্যতা, সামাজিক জীৱনত সাহসী দৃষ্টিভংগীৰ প্ৰকাশ আদি বিবিধ দিশৰ ওপৰত আলোকপাত কৰা হয়। ডিব্ৰুগড় হনুমান বক্স সুৰজমল কানৈ মহাবিদ্যালয়লৈ তেওঁৰ একাধিকবাৰ আগমনৰ স্মৃতিও সভাত বিভিন্নজন বক্তাই ৰোমন্থন কৰে। সভাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই কয়— এনে এজন বহুমুখী প্ৰতিভাসম্পন্ন ব্যক্তিৰ আকস্মিক বিয়োগে প্ৰকৃততে সমগ্ৰ অসমীয়া জাতিৰ লগতে দেশৰ সাংস্কৃতিক ক্ষেত্ৰখনতো এক গভীৰ ক্ষতিৰ সৃষ্টি কৰিলে। তেওঁৰ অকাল বিয়োগে সৃষ্টি কৰা শূন্যতা কাহানিও পূৰণ নহ'ব। অধ্যক্ষগৰাকীয়ে লগতে প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ নামত মহাবিদ্যালয়খনৰ তৰফৰ পৰা অদূৰ ভৱিষ্যতে এটা পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি ঘোষণা কৰে। তেওঁৰ পুণ্যাত্মাৰ সদ্‌গতিৰ অৰ্থে আজিৰ সভাই পৰম প্ৰেমময় ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা জনায় আৰু শোকসন্তপ্ত পৰিয়ালৰ প্ৰতি গভীৰ আন্তৰিক সমবেদনা জ্ঞাপন কৰে। উল্লেখ্য যে ১৯ ছেপ্টেম্বৰৰ সন্ধিয়া মহাবিদ্যালয় চৌহদত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াকে প্ৰমুখ্য কৰি উপাধ্যক্ষ, ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু আঠ শতাধিক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত প্ৰয়াত শিল্পীগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয় আৰু শিল্পীগৰাকীৰ মৃত্যুত ম্ৰিয়মাণ হৈ মম-বাতি জ্বলাই কানৈ মহাবিদ্যালয় চৌহদৰ পৰা থানা চাৰিআলিলৈকে দীঘলীয়া শোভাযাত্ৰা কৰে। ১৯ ছেপ্টেম্বৰত অনুষ্ঠিত মহাবিদ্যালয়ৰ ক্ৰীড়া আৰু সাংস্কৃতিক সপ্তাহৰ সভাত প্ৰয়াত শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই এক শোক প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰ
অজিত দত্ত, ৰাজকুমাৰ
মেঘালী গগৈ, সাগৰ বৰঠাকু
থাকে। জয়সাগৰৰ ডিঅ'
আৰু কালুগাঁও কলা-ক্ৰীড়া
সমূহ সদস্যৰ লগতে য
প্ৰতিচ্ছবিৰ সন্মুখত বন্তি
শেষ শ্ৰদ্ধা জ্ঞাপন কৰে।
শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জ

## আউনীআটী বি

শোকত ম্ৰিয়মাণ হৈ পৰা
বিশ্ববিদ্যালয়ৰ মাজুলী আউ
চৌহদৰ উদ্যোগত আজি চৌ
উদ্দেশ্যে এক শ্ৰদ্ধাঞ্জলি অনু
আচাৰ্যৰ সচিব তুলসী ৰাজ
গোস্বামী সংহত চৌহদৰ স
কুমাৰ ভূঞাই শিল্পীগৰাকীয়ে
অধিক গতি দি অসমীয়া স
উল্লেখ কৰি শিল্পীগৰাকীৰ
সহযোগিতা আগবঢ়াই বিযু
হাজৰিকা, আউনীআটী স
শিল্পীগৰাকীৰ সৃষ্টিৰাজিৰ
নৱপ্ৰজন্মই শুদ্ধ পথেৰে আ
শিল্পীগৰাকীৰ আত্মাৰ চিৰশ